# নিয়মীয়া বাৰ্তা

...৪ চন ☐ VOL-14 ☐ NO-291 ☐ FRIDAY 27 DECEMBER 2024 (ডিব্ৰুগড় সংস্কৰণ/D...


### ডিব্ৰুগড়ত কেন্দ্ৰীয় তিহাৰ সন্মিলন উদ্‌যাপন

## ‘অসম এখন বাৰেৰহণীয়া সুন্দৰ ফুলৰ বাগিচা’ ঃ অধ্যক্ষ ড° শইকীয়া

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৬ ডিচেম্বৰ ঃ ‘সংস্কৃতি মানুহৰ মন আৰু হৃদয়ত থাকে। সংস্কৃতি অবিহনে সমাজ অৰ্থহীন আৰু সমাজ অবিহনে সংস্কৃতিৰ কোনো মূল্য নাই।’ সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা (আগছু)ৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত কেন্দ্ৰীয় তিহাৰ সন্মিলন উপলক্ষে ২৫ ডিচেম্বৰত অনুষ্ঠিত হোৱা স্মৃতিগ্ৰন্থ ‘অস্মিতা’ উন্মোচন কৰি ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট সাহিত্যিক কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই এইদৰে কয়। ডিব্ৰুগড় জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি ৰত্ন থাপাই পৌৰহিত্য কৰা অনুষ্ঠানত ড° শইকীয়াই কয়— অসম এখন বিভিন্ন জাতি-জনগোষ্ঠীৰে ভৰি থকা বাৰেৰহণীয়া সুন্দৰ ফুলৰ বাগিচাৰ দৰে। এই বাগিচাত না না বিধৰ নানা তৰহৰ ফুল ফুলি থকাৰ দৰে অসমৰ বিভিন্ন জাতি, জনগোষ্ঠীয়ে সমগ্ৰ অসম শুৱনি কৰি আছে। এই জাতি, জনগোষ্ঠী, সম্প্ৰদায়সমূহৰ মাজত ঐক্য আৰু সম্প্ৰীতি চিৰযুগমীয়া বুলি উল্লেখ কৰি তেওঁ কয়— দৰাচলতে সংস্কৃতিয়ে সকলোকে এক কৰে আৰু অপ-সংস্কৃতিয়ে মানুহৰ মাজত বিভেদ সৃষ্টি কৰে। অসমৰ নেপালী, গোৰ্খা সকলোৱে অসমৰ জাতি গঠন প্ৰক্ৰিয়াত যুগ যুগান্তৰ ধৰি সহায় কৰি আহিছে। তেওঁ কয়— সংস্কৃতিয়ে এটা জনগোষ্ঠীৰ অতীত সোঁৱৰাই দিয়ে আৰু ভৱিষ্যতে ক’লৈ যাব তাকো নিৰ্ণয় কৰে। অসমৰ উন্নতি আৰু প্ৰগতিত সকলোৱে মাৰবান্ধি থিয় হ’লেহে অসমে আগুৱাই যাব পাৰিব। সকলো জাতি, জনগোষ্ঠীৰ ঐক্যবদ্ধ প্ৰচেষ্টা নহ’লে অসমে কেতিয়াও প্ৰযুক্তিৰ যুগত আগুৱাই যোৱাতো সম্ভৱ নহয় বুলি তেওঁ কয়। অধ্যক্ষগৰাকীয়ে বাৰেৰহণীয়া গোৰ্খাসকলৰ সংস্কৃতিক সন্মান জনাই সমূহ বিষয়ববীয়াক এনে এটি সুন্দৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, আগছুৰ কেন্দ্ৰীয় সভাপতি সুনীল চেত্ৰী, আগছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক নোমল চেত্ৰী, বিশিষ্ট লেখক চেবন প্ৰসাদ শৰ্মাকে ধৰি জিলা আৰু কেন্দ্ৰীয় সমিতিৰ অন্যান্য বিষয়াসকল, বিভিন্ন জনগোষ্ঠীয় সংগঠনসমূহৰ বিষয়ববীয়াসকল আৰু কেইবা সহস্ৰাধিক গোৰ্খা জনগোষ্ঠীয় লোক উপস্থিত থাকে।



## সমৰ্থন মূল...

নিয়মীয়া বাৰ্তা, বৰহাট, ২৬ ডিচেম্বৰ ঃ স...
ভাৰত সংযুক্ত কৃষক সভাৰ অন্তৰ্ভূক্ত তথা স...
অসম খেতিয়ক সন্থাৰ অন্তৰ্গত চৰাইদেউ জি...
সমিতিয়ে আজি বৰহাটত এখন সংবাদ মে...
অনুষ্ঠিত কৰে। সংবাদ মেলখন সম্বোধন ক...
সন্থাৰ ৰাজ্যিক সমিতিৰ সম্পাদক তথা ৰাষ্ট্ৰ...
সমিতিৰ আহ্বায়ক কৃষ্ণ গগৈয়ে। সংবাদ মেল...
সম্বোধন কৰি ৰাজ্যিক সম্পাদকগৰাকীয়ে চৰক...
পূৰণ কৰিবৰ বাবে প্ৰস্তুত কৰা বাৰটা জৰ...
দাবীসম্বলিত এখন দাবীপত্ৰ পাঠ কৰে। এ...
দাবীসমূহৰ ভিতৰত ড° স্বামীনাথন আয়োগ...

## দেৰগাঁৱত স্কুলৰ পৰা চোৰে নিলে খেলৰ সামগ্ৰী

নিয়মীয়া বাৰ্তা, দেৰগাঁও, ২৬ ডিচেম্বৰ ঃ দেৰগাঁও থানাৰ অন্তৰ্গত পূব মিছামৰাৰ ১ নং দাধৰা প্ৰাথমিক বিদ্যালয়ত যোৱা নিশা এক চুৰি কাণ্ড সংঘটিত হয়। বিদ্যালয় গৃহৰ পিছফালৰ দুৱাৰ ভাঙি চোৰে ছাত্ৰ-ছাত্ৰীৰ বাবে আনি থোৱা খেলা সামগ্ৰীকে ধৰি কেতবোৰ বয়-বস্তু চুৰি কৰি নিয়াৰ লগতে বহুবোৰ নথি-পত্ৰ লণ্ড-ভণ্ড কৰে আৰু কিছুমান লৈ যায়। গোলাঘাট উত্তৰ শিক্ষাখণ্ডৰ অন্তৰ্গত বিদ্যালয়খনত চোৰৰ এই তাণ্ডৱ সম্পৰ্কত ইতিমধ্যে দেৰগাঁও থানাত এজাহাৰ দিয়া হৈছে।